# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 18-04-2025
**Time :** 18-45 HRS

***Assamese Evening Bulletin***

- - - - - - - - - - - - - -

১। পঞ্চায়ত নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান অব্যাহত। কংগ্ৰেছৰ নিৰ্বাচনী ইস্তাহাৰ মুকলি।

২। ডিফুৰ তাৰালাংচৰ সাংস্কৃতিক প্ৰকল্পত আয়োজিত কাৰ্বিসকলৰ সভাত মুখ্যমন্ত্ৰীৰ অংশগ্ৰহণ।

৩। মালয়েছিয়াৰ বিদেশ উপ-মন্ত্ৰীৰ সৈতে বৈদেশিক পৰিক্ৰমা ৰাজ্য মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাৰ দ্বিপাক্ষিক আলোচনা।

৪। সাংস্কৃতিক আৰু প্ৰাকৃতিক ঐতিহ্যসমূহৰ সুৰক্ষাৰ লক্ষ্যৰে আজি বিশ্ব ঐতিহ্য দিৱস পালন।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু, পাঞ্জাৱ কিংছৰ মুখামুখি।

০০০০

অহা ২ আৰু ৭ মে'ত হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ বাবে জিলা প্ৰশাসনে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। ৰাজ্যিক নিৰ্বাচন আয়োগে দিয়া তথ্য অনুযায়ী জিলা পৰিষদ আৰু আঞ্চলিক পঞ্চায়তৰ আসনৰ বাবে দাখিল কৰা ৭ হাজাৰ ১৭৪খন মনোনয়ন পত্ৰৰ ভিতৰত ১৮৯খন মনোনয়ন পত্ৰ নাকচ হয় আৰু ছহেজাৰ ৭৬১খন মনোনয়ন পত্ৰ বৈধ বিবেচিত হয়। মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিনা অৰ্থাৎ কালি ২৩৪খন মনোনয়ন প্ৰত্যাহাৰ কৰা হয়। ৩৯৭খন জিলা পৰিষদৰ বাবে আৰু আঞ্চলিক পঞ্চায়তৰ দুহেজাৰ ১৯২খন আসনৰ বাবে নিৰ্বাচন অনুষ্ঠিত হ'ব। গাঁও পঞ্চায়তৰ ২১ হাজাৰ ৯২০খন আসনৰ বাবে নিৰ্বাচন অনুষ্ঠিত হ'ব।

সমাগত পঞ্চায়ত নিৰ্বাচনত শিৱসাগৰ জিলাৰ মুঠ দুহেজাৰ ৩০৬ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। গাঁও পঞ্চায়ৰ সদস্য পদত ইতিমধ্যে ১৫ গৰাকী প্ৰাৰ্থীয়ে বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী হৈছে। আঞ্চলিক পঞ্চায়ত সদস্য পদৰ বাবে মনোনয়ন পত্ৰ দাখিল কৰা এজন প্ৰাৰ্থীৰ মৃত্যু হৈছে বুলি জিলা প্ৰশাসনে প্ৰেছ বিজ্ঞপ্তিৰ জৰিয়তে জনাইছে।

পঞ্চায়ত নিৰ্বাচনৰ বাবে শাসকীয় ভাৰতীয় জনতা পাৰ্টীয়ে এই নিৰ্বাচনৰ বাবে পূৰ্ণ শক্তিৰে প্ৰচাৰ চলাইছে। দলটোৱে আজি কাছাৰ জিলাত আনুষ্ঠানিকভাৱে প্ৰচাৰ অভিযান আৰম্ভ কৰে। শিলকুৰিত বিজয় সংকল্প সমাৰেশ আয়োজন কৰি দলটোৱে এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। সাংসদ পৰিমল শুক্লবৈদ্য, মন্ত্ৰী

কৌশিক ৰায়কে ধৰি কেইবাজনো জ্যেষ্ঠ নেতাই এই সমাৰেশত অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে, জিলাখনৰ ২৫ খন জিলা পৰিষদ আসনৰ ভিতৰতৰ দুখনত আৰু ১৬২ খন আঞ্চলিক আসনৰ ভিতৰত ৩৫ খনত বিনা প্ৰতিদ্বন্দ্বিতাৰে বিজেপি প্ৰাৰ্থী জয়ী হৈছে।

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে ধেমাজি জিলাৰ ৪ খন পঞ্চায়তৰ কেইবাখনো প্ৰচাৰ সভাত অংশ লৈ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী জয়ী কৰাবলৈ ৰাইজক আহ্বান জনায়।

সাংসদ ৰকিবুল হুছেইনে আজি ধুবুৰী লোকসভা সমষ্টিৰ অন্তৰ্গত চেঙাৰ মুছলমানপাৰাত প্ৰচাৰ কাৰ্যসূচীত অংশ লয়। পঞ্চায়ত নিৰ্বাচনত চেঙা আৰু মন্দিয়াৰ কংগ্ৰেছ কৰ্মীসকলৰ কৰণীয় সন্দৰ্ভত সভাত আলোচনা কৰা হয়। পাকা বেটকুছি সমষ্টিটো নিশা কংগ্ৰেছৰ এখন গুৰুত্বপূৰ্ণ নিৰ্বাচনী সভা অনুষ্ঠিত হয়।

বিৰোধী কংগ্ৰেছ দলে আজি গুৱাহাটীত দলটোৰ নিৰ্বাচনী ইস্তাহাৰ মুকলি কৰে। দলটোৰ ৰাজ্যিক সভাপতি ভূপেন বৰাই আজি গুৱাহাটীৰ ৰাজীৱ ভৱনত মুকলি কৰা এই ইস্তাহাৰত দলটোৱে পঞ্চায়ত দখল কৰিলে পঞ্চায়তি ব্যৱস্থা অধিক শক্তিশালী কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব বুলি প্ৰতিশ্ৰুতি দিয়ে। ইস্তাহাৰত পঞ্চায়তৰ জৰিয়তে তৃণমূল পৰ্যায়লৈ ক্ষমতা হস্তান্তৰ, জবকাৰ্ডৰ অধিকাৰীক ন্যূনতম ১০০ দিনৰ কৰ্ম নিশ্চিতি আৰু মজুৰি বৃদ্ধিৰ প্ৰতিশ্ৰুতিৰ লগতে পি এম এ ৱাইৰ অৰ্ধনিৰ্মিত ঘৰসমূহ সম্পূৰ্ণ কৰা, আঁচনিৰ অনুমোদনৰ বিত্তীয় বৰ্ষটোতেই নিৰ্মাণকাৰ্য সমাপ্ত কৰা, সময়মতে পুঁজি মুকলি কৰা আৰু সকলো আঁচনিৰ সফল ৰূপায়ণ সুনিশ্চিত কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰাৰ বিষয়ে উল্লেখ কৰা হৈছে। ইয়াৰ লগতে ইস্তাহাৰত আঁচনি নিৰ্ধাৰণ, হিতাধিকাৰী নিৰ্বাচনত হোৱা দুৰ্নীতি, স্বজন-তোষণ, বৈষম্যৰ অৱসান ঘটাই সকলোৰে সম অধিকাৰ, সমবিকাশ সুনিশ্চিত কৰাৰ প্ৰতিশ্ৰুতি দিয়া হৈছে।

নিৰ্বাচন সুকলমে সম্পন্ন কৰাৰ লক্ষ্যৰে জিলা প্ৰশাসনসমূহে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। অহা ৭ তাৰিখে হ'বলগীয়া দ্বিতীয় পৰ্যায়ত পঞ্চায়ত নিৰ্বাচনৰ বাবে হাটশিঙিমাৰিত দুহেজাৰ ৮৫১ গৰাকী নিৰ্বাচনী বিষয়াক দুদিনীয়া কাৰ্যসূচীৰে প্ৰশিক্ষণ প্ৰদান কৰা হয়। এইবেলি জিলাখনত ২৫ টা ভোটকেন্দ্ৰত সম্পূৰ্ণ মহিলাৰ দ্বাৰা পৰিচালিত হ'ব।

একেদৰে শোণিতপুৰ জিলা প্ৰশাসনেও নিৰ্বাচনী বিষয়াসকলৰ বাবে প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত কৰিছে। জিলা আয়ুক্ত অংকুৰ ভৰালী আৰু নিৰ্ধাৰিত নিৰ্বাচনী পৰ্যৱেক্ষকৰ এটি দলে আজি তেজপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত প্ৰশিক্ষণ কাৰ্যসূচী পৰিদৰ্শন কৰে। দলটোৱে প্ৰশিক্ষণ প্ৰক্ৰিয়া পৰ্যৱেক্ষণ কৰাৰ লগতে প্ৰশিক্ষণত অংশ লোৱা বিষয়া-কৰ্মচাৰীসকলৰ সৈতেও মত বিনিময় কৰে।

শ্ৰীভূমি জিলাতো নিৰ্বাচনী বিষয়াসকলৰ বাবে কাইলৈৰ পৰা দুদিনীয়াকৈ প্ৰশিক্ষণ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে।

০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি কাৰ্বি আংলঙৰ ডিফুৰ তাৰালাংচৰ সাংস্কৃতিক প্ৰকল্পত আয়োজিত কাৰ্বিসকলৰ আদিম ধৰ্মৰ **আৰন বাৰিম চিংৰুম আমেইৰ** সভাত অংশ লয়। জনসভাত ভাষণ প্ৰসংগত তেওঁ কয়, যে পাঁচ হাজাৰ পুৰণি কাৰ্বি আৰন বাৰিমৰ আদৰ্শ পৰম্পৰা, ৰীতি-নীতি, ধৰ্মীয় বিশ্বাস আৰু সাজ-পোছাকে কাৰ্বিসকলৰ পৰিচয় বহন কৰি আহিছে। ড০ শৰ্মাই সভাত জিলাখনত ১০০ টা ৰংকেৰ পূজাৰ গৃহ নিৰ্মাণৰ লগতে কাৰ্বি পুৰোহিতসকলৰ বাবে ১০ হাজাৰ টকাকৈ সাহায্য আগবঢ়োৱা হ'ব বুলি ঘোষণা কৰে। কাৰ্বি সাংস্কৃতিক সমাজৰ শিল্পীয়ে প্ৰদৰ্শন কৰা কাৰ্বি লোকনৃত্য উপভোগ কৰি তেওঁ শিল্পীসকলক গুৱাহাটীৰ সৰুসজাইলৈ আমন্ত্ৰণ জনায়।

ইয়াৰ লগতে তেওঁ জিলা পৰ্যায়ৰ বিভাগীয় মুৰব্বীসকলৰ সৈতে ডিফুত পৰ্যালোচনা বৈঠকত মিলিত হয়। আলোচনাত ভূমি আৰু ৰাজহ সংস্কাৰ, বিবাদ সমাধান, ভূমি হস্তান্তৰ, আন্তঃগাঁথনিৰ উন্নয়ন সম্পৰ্কে পৰ্যালোচনা কৰা হয়। আন এখন বৈঠকত তেওঁ কাৰ্বি আংলং আৰু পশ্চিম কাৰ্বি আংলঙৰ কেইবাটাও সংস্থাৰ প্ৰতিনিধিসকলৰ সৈতে বিভিন্ন উন্নয়নমূলক বিষয়ত আলোচনা কৰে। বৈঠকৰ অন্তত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰীয়ে এইদৰে কয় –

*(বাইট ঃ মুখ্যমন্ত্ৰী)*

০০০০

বৈদেশিক পৰিক্ৰমা ৰাজ্য মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাই আজি মালয়েছিয়াৰ ৰাজধানী কুৱালালামপুৰত দেশখনৰ বিদেশ উপ-মন্ত্ৰীৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হয়। তেওঁ মালয়েছিয়াৰ পৰম্পৰাগত জাদিবাতিক বস্ত্ৰশিল্পৰ এখন কৰ্মশালা তথা বিপনীও পৰিদৰ্শন কৰে। ইয়াৰ লগতে দেশখনৰ কেইবাটাও ঔদ্যোগিক সংস্থাৰ সৈতে বৈঠকত মিলিত হয়। বিনিয়োগৰ সম্ভাৱনা লৈ শীঘ্ৰে মালয়েছিয়াৰ ঔদ্যোগিক সংস্থাৰ এটি দল অসমলৈ অহাৰ কথা বুলি তেওঁ সামাজিক মাধ্যমত প্ৰকাশ কৰে।

উল্লেখযোগ্য যে কুৱালালামপুৰত আজিৰে পৰা অনুষ্ঠিত মালয়েছিয়ান টুৰ এণ্ড ট্ৰেভেল এজেণ্ট সংস্থাৰ মেলাত শ্ৰী মাৰ্ঘেৰিটাৰ নেতৃত্বত ভাৰতৰ এটা প্ৰতিনিধি দলে অংশগ্ৰহণ কৰিছে। এই অনুষ্ঠানত দেশৰ উত্তৰ-পূৰ্বাঞ্চলক বিশেষ গুৰুত্ব সহকাৰে লৈ ভাৰতে নিজৰ পৰ্যটন ক্ষেত্ৰৰ সম্ভাৱনাক তুলি ধৰাৰ প্ৰয়াস কৰিব। ভাৰত আছিয়ান পৰ্যটন পেছাদাৰী বিনিময় কাৰ্যসূচী ২০২৫ৰ অংশ হিচাপে শ্ৰীমাৰ্ঘেৰিটাই এই কাৰ্যসূচীত অংশ লৈছে। দুদিনীয়া এই ভ্ৰমণকালত মন্ত্ৰীগৰাকীয়ে কেইবাগৰাকীও আগশাৰীৰ ব্যৱসায়িক নেতা আৰু প্ৰৱাসী ভাৰতীয়ৰ সৈতে মত বিনিময় কৰিব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে যোৱা বছৰ অনুষ্ঠিত একবিংশ ভাৰত-আছিয়ান শীৰ্ষ সন্মিলনত এই বছৰৰ ভাৰত-আছিয়ান পৰ্যটন বৰ্ষ পালনৰ পৰিকল্পনা কৰা হৈছিল।

০০০০

আজি বিশ্ব ঐতিহ্য দিৱস পালন কৰা হৈছে। এই দিনটো কীৰ্তি চিহ্ন আৰু ঐতিহ্যময় স্থানসমূহৰ দিন হিচাপেও জনা যায়। এই বছৰ এই দিৱসৰ বিষয় বস্তু হৈছে – 'ঐতিহ্যমণ্ডিত স্থানসমূহত দুৰ্যোগ আৰু সংঘাতৰ ভাবুকি'। বিশ্বৰ সাংস্কৃতিক আৰু প্ৰাকৃতিক ঐতিহ্যসমূহৰ সুৰক্ষা তথা সেইসমূহৰ প্ৰতি সন্মান জনোৱাৰ উদ্দেশ্যে প্ৰতি বছৰে ১৮ এপ্ৰিলৰ দিনটোত এই দিৱস পালন কৰি অহা হৈছে।

ভাৰতীয় পুৰাতত্ত্ব জৰীপ বিভাগে ইয়াৰ অধীনৰ দেশৰ বিভিন্ন প্ৰান্তৰ কীৰ্তি চিহ্ন তথা স্থানসমূহ আজি জনসাধাৰণৰ বাবে প্ৰৱেশ বিনামূলীয়া কৰিছে।

অসমৰ ঐতিহ্যমণ্ডিত দেৱালয়সমূহৰ অন্যতম – শোণিতপুৰ জিলাৰ ঢেকীয়াজুলীৰ সমীপৰ শিঙৰিৰ গুপ্তেশ্বৰ দেৱালয়। ধৰ্মীয় আৰু পৰ্যটনৰ দিশৰ পৰা গুৰুত্ব লাভ কৰি অহা এই প্ৰচীন দেৱালয়খনৰ বিষয়ে জনাইছে আমাৰ শোণিতপুৰ জিলাৰ সংবাদদাতা ৰজত ভৰদ্বাজে–

***(বাইট ঃ ৰজত ভৰদ্বাজ)***

০০০০

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি তিনিচুকীয়া নগৰৰ মাজ মজিয়াত এ এছ টি চিৰ সমীপত চুতীয়া উন্নয়ন পৰিষদৰ পুজিৰে নিৰ্মাণ কৰা বীৰাঙ্গনা সতী সাধনীৰ প্ৰতিমুৰ্তি উন্মোচন কৰে। চুতীয়া উন্নয়ন পৰিষদৰ ১২ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰি উলিওৱা প্ৰতিমুৰ্তিটো উন্মোচন কৰি শ্ৰীসোণোৱালে বীৰাঙ্গনা

সতী সাধনীৰ আদৰ্শৰে আমি আগুৱাই যাব লাগিব বুলি মত প্ৰকাশ কৰে। আজিৰ অনুষ্ঠানত মন্ত্ৰী ৰূপেশ গোৱালা, শদিয়াৰ বিধায়ক বলিন চেতিয়াসহ চুতীয়া উন্নয়ন পৰিষদ, চুতীয়া ছাত্ৰ সন্থা, চুতীয়া জাতীয় সংগঠন আৰু চুতীয়া মহিলা সন্মিলনৰ বিষয়ববীয়াসকল উপস্থিত থাকে।

০০০০

অহা ৪ মে'ত অনুষ্ঠিত হ'বলগীয়া ৰাষ্ট্ৰীয় যোগ্যতা তথা প্ৰৱেশ পৰীক্ষা সুকলমে সম্পন্ন কৰাৰ উদ্দেশ্যে শোণিতপুৰ জিলা আয়ুক্ত অংকুৰ ভড়ালীৰ অধ্যক্ষতাত আজি এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত আৰক্ষী অধীক্ষক বৰুণ পুৰকায়স্থ, অতিৰিক্ত জিলা আয়ুক্ত তথা নডেল বিষয়া কবিতা কাকতি কোঁৱৰ, পৰীক্ষা কেন্দ্ৰৰ অধীক্ষক আৰু অন্যান্য জিলা পৰ্যায়ৰ বিষয়াসকল উপস্থিত থাকে। সভাত পৰীক্ষাৰ সময়ছোৱাত শৃংখলা, স্বচ্ছতা আৰু সুৰক্ষা নিশ্চিত কৰাৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব আৰোপ কৰা হয়। জিলাখনৰ পৰীক্ষাকেন্দ্ৰসমূহত প্ৰায় দুহেজাৰ ১৬০ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হ'ব বুলি আশা কৰা হৈছে।

০০০০

শ্ৰীশ্ৰীৰাজহুৱা সত্ৰৰ ভাতৃ সংগঠন শংকৰ মাধৱ সাংস্কৃতিক সমাজৰ উদ্যোগত আজি গুৱাহাটীৰ আৰ্য্য বিদ্যাপীঠ খেলপথাৰত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা অহা ৫ হাজাৰ নামতীয়ে গুৰুজনাৰ অমূল্য সৃষ্টিৰাজী বৰগীত, ঘোষানাম, হোলী গীত, বিয়ানাম আদি পৰিৱেশন কৰি চৌপাশে আধ্যাত্মিক পৰিৱেশৰ সৃষ্টি কৰে।

এই অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই কয় যে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে আজিৰে পৰা ৫৫০ বছৰ পূৰ্বে নাম গীত, বাদ্য, কলা সংস্কৃতি সৃষ্টি কৰি অসমীয়া জাতিক চহকী জাতি হিচাপে প্ৰতিষ্ঠিত কৰি গৈছে। অনুষ্ঠানত গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়াকে ধৰি বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০

লখিমপুৰৰ লালুক সোণাপুৰত ৰঙা নদী উন্নয়ন মঞ্চৰ উদ্যোগত আৰু ৰঙানদী সমষ্টিবাসীৰ সহযোগত আজি ৰঙালী মহোৎসৱ অনুষ্ঠিত হয়। এই ৰঙালী মহোৎসৱত ২ হেজাৰ ৫০০ গৰাকী শিল্পীয়ে একেলগে বিহু, ঝুমুৰ, মিছিং আৰু সোণোৱাল কছাৰী নৃত্যৰ প্ৰদৰ্শন কৰে। এই অনুষ্ঠানত মন্ত্ৰী পিযুছ হাজৰিকাৰ লগতে স্থানীয় বিধায়ক মানৱ ডেকা, অসম যুৱ আয়োগৰ সদস্য তথা বহুকেইগৰাকী অভিনেতা-অভিনেত্ৰী আৰু অসমৰ জনপ্ৰিয় ইউটিউবাৰসকল উপস্থিত থাকে।

০০০০

বড়ো জনগোষ্ঠীৰ জাতীয় সমস্যাৰ সমাধানৰ বাবে গণ আন্দোলনৰ গুৰি ধৰোতা প্ৰেম সিং ব্ৰহ্মৰ ১৯ সংখ্যক মৃত্যু তিথি আজি পালন কৰা হয়। উদাংশ্ৰীনি আলাৰি প্ৰেমসিং ব্ৰহ্ম ট্ৰাষ্টৰ উদ্যোগত আৰু ববিটিচি প্ৰশাসনৰ সহযোগত আয়োজিত এই অনুষ্ঠানত বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো উপস্থিত থাকি উদাংশ্ৰী প্ৰেমসিং ব্ৰহ্মৰ সমাধিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। তেওঁ প্ৰেম সিং ব্ৰহ্মৰ স্মৃতিত এখন স্মৰণিকাও উন্মোচন কৰে। ৰাজহুৱা স্মৃতিচাৰণ সভাত ভাষণ দি শ্ৰীবড়োৱে প্ৰেম সিং ব্ৰহ্মৰ সমাধি উন্নয়নৰ বাবে বিগত বছৰত এক কোটি প্ৰদান কৰা হৈছে আৰু সমাগত বাজেটত পুনৰ এক কোটি প্ৰদান কৰা হ'ব বুলি প্ৰকাশ কৰে।

০০০০

অসম নাট্য সন্মিলনৰ হোজাই সদৰ শাখাৰ সৌজন্যত প্ৰথমবাৰৰ বাবে আজিৰে পৰা ৩ দিনীয়াকৈ দ্বিভাষিক নাট সমাৰোহৰ আয়োজন কৰা হৈছে। এই দ্বিভাষিক নাট সমাৰোহত অসমীয়া আৰু বাংলা এই দুটা

ভাষাত ৪ খন নাটক মঞ্চস্থ হ'ব। ইতিমধ্যে গুৱাহাটীৰ ড্ৰামাটিক চোছাইটি, তেজপুৰৰ ঐতিহাসিক বা মঞ্চ আৰু লামডিঙৰ আনন্দম ড্ৰামা গোষ্ঠী হোজাইত উপস্থিত হৈছে। এই সমাৰোহত বিশিষ্ট নাট্যকাৰ-পৰিচালক দুলাল ৰয়, প্ৰাঞ্জল শইকীয়া, পূৰ্ণিমা পাঠককে ধৰি অসম নাট্য সন্মিলনৰ সভাপতি হিৰণ্য হাজৰিকা প্ৰমুখ্যে আন আন বিশিষ্ট নাট্য সংগঠকসকল উপস্থিত থাকিব।

হোজাই সাহিত্য সভাৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত এই নাট সমাৰোহ সম্পূৰ্ণ বিনামুলীয়া হোৱাৰ লগতে ইয়াৰ লগত সংগতি ৰাখি হোজাই নাট্য সন্মিলনৰ তৰফৰ পৰা দুটা বঁটাও প্ৰদান কৰা হ'ব।

০০০০

দক্ষিণ শালমাৰা মানকাচৰ জিলা ফুটবল সন্থাই নতুনকৈ সংবিধান প্ৰস্তুত কৰাৰ লগতে জিলাখনত মণ্ডল পৰ্যায়ৰ ফুটবল টুৰ্নামেণ্ট আয়োজন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। এই ফুটবল টুৰ্নামেণ্টৰ জৰিয়তে নতুনকৈ জিলাখনৰ ফুটবল খেলৰ দলটো গঠন কৰা হ'ব। সন্থাটোৱে আজি এখন সংবাদমেল আয়োজন কৰি এই সন্দৰ্ভত তথ্য প্ৰকাশ কৰে।

০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে বাতৰি আৰু অনুষ্ঠান সম্পৰ্কত শ্ৰোতা ৰাইজৰ মতামত আৰু অভিমতক লৈ কাইলৈ নিশা ৮ বাজি ২ মিনিটত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। অনুষ্ঠান চলি থকাৰ সময়ত শ্ৰোতাসকলে ০৩৬১-২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ – এই দুটা নম্বৰত ফোন কৰি আঞ্চলিক বাতৰি, ৰাষ্ট্ৰীয় আৰু আন্তৰ্জাতিক বাতৰি, জিলাৰ ৰেহৰূপ, দৃষ্টিপাত, সংবাদ চলন্তিকা, ক্ৰীড়া বাৰ্তা আৰু প্ৰাসংগিক আদি অনুষ্ঠান সম্পৰ্কত অভিমত আৰু পৰামৰ্শ আগবঢ়াব পাৰিব। ইয়াৰ লগতে শ্ৰোতাসকলে ৯৮৬৪০ ৫৫৫৬৬ নম্বৰত ৱাটছএপ যোগে পঠিওৱা বাৰ্তাও অনুষ্ঠানটোত অন্তৰ্ভুক্ত কৰা হ'ব।

বাতৰি বিভাগে পৰহিলৈ সন্ধিয়া ৭ বাজি ৪৫ মিনিটত অসমীয়া বিয়াৰ পৰিৱৰ্তন আৰু কিছু চিন্তা-দুঃচিন্তা বিষয়ক এটি বিশেষ সংবাদ চলন্তিকা প্ৰচাৰ কৰিব। এই দুয়োটা অনুষ্ঠানৰে পৰিকল্পনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি বেংগালুৰুৰ এম ছিন্নস্বামী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰু, পাঞ্জাৱ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। দুয়োটা দলেই ছখনকৈ খেলৰ পৰা বৰ্তমান ৮ পইণ্টকৈ লাভ কৰি আছে। অৱশ্যে উন্নত ৰান ৰেটৰ বাবে পইণ্ট তালিকাত ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰু তৃতীয় স্থানত আৰু পাঞ্জাৱ কিংছ চতুৰ্থ স্থানত আছে।

০০০০

সমাপ্ত